া অৱহেলা
সৰু বুলি
ড় এটাই
য়াবা বিৰাট
দিব পাৰে।
— গ্যেটে

# দৈনিক জনমভূমি

Tinsukia, Sunday, February 19, 2023

বসুন্ধৰা
এতিয়া প্ৰতি দেওবাৰে আলোচনী আকাৰত
আপোনাৰ কপিটো সংগ্ৰহ কৰিবলৈ নাপাহৰিব

চাপৰি-বঙালমৰা সংযোগী চেলেক-ধূনাগুৰিৰ দুয়োখন দলঙৰ কাম



### প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰস্তুতি সম্পৰ্কে ছাত্ৰ-ছাত্ৰীৰে মত বিনিময়

## কানৈ মহাবিদ্যালয়ত অসম চৰকাৰৰ প্ৰাক্তন মুখ্য সচিব জিষ্ণু বৰুৱা

**ডিব্ৰুগড় ঃ ষ্টাফ ৰিপৰ্টাৰ, ১৮ ফেব্ৰুৱাৰী ঃ** ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ আই চি জি চি, ছাত্ৰ একতা সভা, ডি চি ছাত্ৰাবাস আৰু ছাত্ৰী নিবাসৰ উদ্যোগত আজি মহাবিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ সভাকক্ষত প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰস্তুতি সম্পৰ্কে এক কেৰিয়াৰ গাইডেন্স অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানটিত অসম চৰকাৰৰ প্ৰাক্তন মুখ্য সচিব তথা বৰ্তমান এ পি ডি চি এলৰ অধ্যক্ষ জিষ্ণু বৰুৱা মুখ্য বক্তা হিচাপে উপস্থিত থাকি প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰস্তুতি সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰে। মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক ড° পল্লৱী গগৈয়ে আঁত ধৰা অনুষ্ঠানটিত বৰুৱাই ভাৰতীয় অসামৰিক সেৱাৰ পৰীক্ষাসমূহৰ ইতিহাস বৰ্ণনা কৰাৰ লগতে এই পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ কি কি গুণ আয়ত্ত কৰিব লাগিব, কিদৰে প্ৰস্তুতি চলাব লাগিব, বিষয়সমূহ কিদৰে অধ্যয়ন কৰিব লাগিব ইত্যাদি বিষয়সমূহ অতি সুক্ষ্মভাৱে ছাত্ৰ-ছাত্ৰীসকলৰ আগত দাঙি ধৰে। কিতাপৰ টোপোলা আৰু অন্যান্য সামগ্ৰীৰে সম্বৰ্ধনা জনোৱা অনুষ্ঠানটোত ছাত্ৰ-ছাত্ৰীসকলৰ লগত মতবিনিময়ৰ সময়ত তেওঁ প্ৰশাসনিক সেৱাৰ লগত জড়িত ব্যক্তিগত অভিজ্ঞতাসমূহ সাৱলীলভাৱে বৰ্ণনা কৰে যিয়ে ছাত্ৰ-ছাত্ৰীসকলক প্ৰতিযোগিতামূলক পৰীক্ষাসমূহত অৱতীৰ্ণ হোৱাৰ লগতে বিশেষকৈ প্ৰশাসনিক সেৱাৰ লগত জড়িত হ'বৰ বাবে অনুপ্ৰাণিত কৰে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়া এক বিশেষ কাৰণত অসমৰ বাহিৰত থাকিবলগীয়া হোৱাত অধ্যক্ষৰ হৈ উপাধ্যক্ষ ড° প্ৰিয়দেৱ গোস্বামীয়ে আদৰণী ভাষণ প্ৰদান কৰা অনুষ্ঠানটোত উদ্দেশ্য ব্যাখ্যা কৰে মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক ড° বিৰাজ দত্তই। অনুষ্ঠানটোত এ পি ডি চি এলৰ আই টি বিভাগৰ উপ মহাপ্ৰবন্ধক ৰেজা মহম্মদকে ধৰি কেইবাগৰাকী গণ্য-মান্য ব্যক্তি আৰু শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। অনুষ্ঠানত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকি আগ্ৰহেৰে মত বিনিময় অনুষ্ঠানটিত অংশগ্ৰহণ কৰাৰ বাবে অধ্যক্ষ ড° শশীকান্ত শইকীয়াই



ছাত্ৰ-ছাত্ৰীসকলক ফোনযোগে ধন্যবাদ জ্ঞাপন কৰে। শেষত শলাগৰ শৰাই আগবঢ়ায় মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক ড° বিৰাজ দত্তই। উল্লেখযোগ্য যে ছাত্ৰ-ছাত্ৰীসকলৰ লগত মত বিনিময় অনুষ্ঠানটিত বৰুৱাই অনাগত দিনত এনেধৰণৰ কাৰ্যসূচীত উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলৰ লগত মত বিনিময় কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে।

## মৃত্যুৰ বাতৰি

### বাবুল চন্দ্ৰ মহন্ত

**যোৰহাট ঃ** ১৮ ফেব্ৰুৱাৰী ঃ কৰঙা কাথবাপু সত্ৰ নিবাসী সৰ্বৱৰহী ধৰ্মপ্ৰাণ ব্যক্তি বাবুল চন্দ্ৰ মহন্তৰ(৯৪) আজি সন্ধ্যা ৬-১০ বজাত নিজা বাসগৃহত মৃত্যু হয়। তেওঁ পত্নী, এজন পুত্ৰ, চাৰিগৰাকী কন্যা, বোৱাৰী, জোঁৱাই, নাতিসহ আত্মীয়ক এৰি গৈছে। লোকজনৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

### দীপ্তি কলিতা

**ডুমডুমা ঃ** নিজা বাতৰি দিওঁতা, ১৮ ফেব্ৰুৱাৰী ঃ ডুমডুমাৰ আজাদ ৰ'ড নিবাসী ধৰ্মপ্ৰাণা তথা অতি সৰ্বৱৰহী মহিলা দীপ্তি কলিতাৰ(৭৬) ১৭ ফেব্ৰুৱাৰীৰ নিশা ১০-১৫ বজামানত ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। উল্লেখযোগ্য যে দীপ্তি কলিতাৰ যোৱা ১২ ফেব্ৰুৱাৰীত ষ্ট্ৰ'ক হোৱাত ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়লৈ লৈ যোৱা হয়। ... পুত্ৰ, তিনিগৰাকী বোৱাৰী, দুগৰা... কন্যা-জোঁৱাইসহ বহু আত্মীয়ক ... গৈছে। মহিলাগৰাকীৰ বিয়োগ... ডুমডুমা অঞ্চলটোত গভীৰ শো... ছাঁ পৰে। তেওঁৰ মৃত্যুত ডুমডু... অসমীয়া পূজা আৰু নাট্য ম... সমিতি, ডুমডুমা নামঘৰ সমি... ডুমডুমা ৰাজহুৱা কালী মন্দিৰ সমি... ডুমডুমা শাখা সাহিত্য সভা, ডুমডু... প্ৰেছ ক্লাব আদি অনুষ্ঠানে গভীৰ শো... প্ৰকাশ কৰিছে।

### প্ৰদীপ মাঝি

**লাহোৱাল ঃ** নিজা সংবাদদাতা, ... ফেব্ৰুৱাৰী ঃ লাহোৱালৰ মটক চ... বাগিচাৰ নিবাসী টিমনা প্ৰাথমি... বিদ্যালয়ৰ শিক্ষক প্ৰদীপ মাঝিৰ(৫... আজি নিজা বাসগৃহত মৃত্যু হ... তেওঁ পত্নী, দুজন পুত্ৰ আৰু এগৰা... কন্যাৰ লগতে আত্মীয়-স্বজনক এ... যায়। তেওঁৰ মৃত্যুত টিমনা প্ৰাথমি... বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী... লাহোৱাল প্ৰেছ ক্লাব, আট... লাহোৱাল শাখাৰ লগতে বিভিন্নজ... শোক প্ৰকাশ কৰিছে।

### দীপালি পাঠক

**মেলেং ঃ** নিজা প্ৰতিবেদক, ...